**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 20-07-2025
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN

**HEADLINES**

**::::::::::::::::::**

১। চৰকাৰে সংসদৰ বৰ্ষাকালীন অধিৱেশনৰ পূৰ্বে আজি এখন সৰ্বদলীয় বৈঠকৰ আহ্বান কৰিছে।

২। বিশ্বৰ কোনো শক্তিয়ে ভাৰতক নিজৰ বিষয়সমূহ কিদৰে পৰিচালনা কৰিব লাগে সেই বিষয়ে নিৰ্দেশ দিব নোৱাৰে বুলি উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে মন্তব্য কৰিছে।

৩। ভাৰতীয় বতৰ বিজ্ঞান বিভাগে অহা তিনি দিনত অসম, ত্ৰিপুৰা, অৰুণাচল প্ৰদেশ, ছিকিম, ওড়িশা, চত্তিশগড় আৰু পশ্চিমবংগৰ হিমালয়ৰ পাদাদেশৰ এলেকাসমূহৰ ঠাই বিশেষে ধাৰাষাৰ বৰষুণ হ'ব পাৰে বুলি আগলী বতৰা দিছে।

৪। পাকিস্তান চৰকাৰৰ বিৰুদ্ধে ইছলামাবাদত প্ৰতিবাদৰত বেলুছ য়াকজেহটি সমিতিৰ প্ৰতিবাদী কাৰ্যসূচীয়ে আজি পঞ্চম দিনত ভৰি দিছে। *আৰু*

৫। হাংগেৰীৰ বুডাপেষ্টত অনুষ্ঠিত পোল্যাক ইম্ৰে ৰৰ্গা জানোছ স্মাৰক মল্লযুদ্ধ প্ৰতিযোগিতাত ভাৰতীয় মহিলা মল্লযোদ্ধসকলৰ আধিপত্য অক্ষুণ্ণ আছে।

ooooo

চৰকাৰে সংসদৰ বৰ্ষাকালীন অধিৱেশনৰ পূৰ্বে আজি এখন সৰ্বদলীয় বৈঠকৰ আহ্বান কৰিছে। বৈঠকত চৰকাৰে সংসদৰ উভয় সদনৰ কামকাজ সুচাৰুৰূপে চলাই নিয়াৰ বাবে সকলো দলৰ সহযোগিতা কামনা কৰিব।

সংসদৰ বৰ্ষাকালীন অধিৱেশন কাইলৈ আৰম্ভ হ'ব। ২১ আগষ্টলৈ চলিবলগীয়া এই অধিৱেশনত মুঠ ২১ দিন বৈঠক অনুষ্ঠিত হ'ব। সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেন ৰিজিজুৱে কালি সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত কয়, যে সংসদত উত্থাপন কৰিবলগীয়া যিকোনো গুৰুত্বপূৰ্ণ বিষয় লৈ আলোচনা কৰিবলৈ চৰকাৰ সাজু। তেওঁ কয়, যে অধিৱেশনৰ সময়ছোৱাত জনবিশ্বাস সংশোধনী ব্যৱস্থা বিধেয়ক ২০২৫, ৰাষ্ট্ৰীয় ক্ৰীড়া পৰিচালনা বিধেয়ক ২০২৫, ব্যৱসায়িক জাহাজ চলাচল বিধেয়ক ২০২৫ কে ধৰি কেইবাখনো গুৰুত্বপূৰ্ণ বিধেয়ক সদনত আলোচনা আৰু গ্ৰহণৰ বাবে উত্থাপন কৰা হ'ব।

অধিৱেশনৰ পূৰ্বে ৰণনীতি চূড়ান্ত কৰাৰ উদ্দেশ্যে ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে কালি বিৰোধী আই এন ডি আই মিত্ৰজোঁটৰ নেতাসকলৰ এখন বৈঠক অনুষ্ঠিত হয়। বৈঠকত পেহেলগাম সন্ত্ৰাসবাদী আক্ৰমণ আৰু অপাৰেচন সিন্দূৰৰ দলে বিষয়সমূহ উত্থাপন কৰাৰ বাবে দলসমূহৰ মাজত সহমত গঢ়ি উঠে।

ooooo

বিশ্বৰ কোনো শক্তিয়ে ভাৰতক নিজৰ বিষয়সমূহ কিদৰে পৰিচালনা কৰিব লাগে সেই বিষয়ে নিৰ্দেশ দিব নোৱাৰে বুলি উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে মন্তব্য কৰিছে। নতুন দিল্লীত কালি ভাৰতীয় প্ৰতিৰক্ষা সম্পত্তি সেৱাৰ ২০২৪ বেটচৰ প্ৰশিক্ষাৰ্থী বিষয়াসকলক উদ্দেশ্যি দিয়া ভাষণত উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে কয়, যে এই সাৰ্বভৌম দেশত সকলো সিদ্ধান্ত নেতৃবৰ্গই গ্ৰহণ কৰে। তেওঁ কয়, যে বিভাজন সৃষ্টি কৰাৰ প্ৰচেষ্টাসহ ভালেমান প্ৰত্যাহ্বান আছে। ভাৰত উন্নত ৰাষ্ট্ৰৰূপে পৰিগণিত হোৱাৰ দিশত ধাৱমান হৈছে বুলি তেওঁ মন্তব্য কৰে।

অপাৰেচন সিন্দূৰৰ সময়ত অসামৰিক লোকক আক্ৰমণ নকৰা আৰু অকল সন্ত্ৰাসবাদী আন্তঃগাঁথনিসমূহকহে লক্ষ্য কৰি লোৱাৰ ভাৰতৰ সুপৰিকল্পিত সিদ্ধান্তৰ প্ৰসংশা কৰি উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে কয়, যে দেশে শান্তি আৰু অহিংসাত বিশ্বাস কৰে। পাকিস্তানৰ বহাৱলপুৰ আৰু মুৰিডকেৰ সন্ত্ৰাসবাদী আন্তঃগাঁথনিসমূহক লক্ষ্য কৰি লৈ ভাৰতে সন্ত্ৰাসবাদৰ ষড়যন্ত্ৰকাৰীসকলক ভালদৰে এশিকনি দিয়া বুলি শ্ৰী ধনখড়ে মন্তব্য কৰে।

উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে কয়, যে কেতবোৰ শক্তিয়ে ভাৰতৰ উত্থান হজম কৰিব নোৱাৰে কিয়নো সমগ্ৰ বিশ্ব আৰ্থিক মন্দাৱস্থাৰ সন্মুখীন হোৱাৰ সময়ত ভাৰতৰ অৰ্থ ব্যৱস্থা ইমান শক্তিশালী হ'ব বুলি কোনেও ভবা নাছিল। তেওঁ কয়, যে অকল অৰ্থব্যৱস্থাৰ বিকাশেই নহয়, বৰং জনসাধাৰণৰ উন্নয়ন ভাৰতৰ মূল উদ্দেশ্য। ভাৰত বিশ্ব পৰ্যায়ৰ সবাটোকৈ অভিলাসী ৰাষ্ট্ৰৰূপে পৰিগণিত হৈছে বুলি উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে প্ৰকাশ কৰে।

ooooo

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে অহা তিনি দিনত অসম, ত্ৰিপুৰা, অৰুণাচল প্ৰদেশ, ছিকিম, ওড়িশা, চত্তিশগড় আৰু পশ্চিমবংগৰ হিমালয়ৰ পাদাদেশৰ এলেকাসমূহৰ ঠাই বিশেষে ধাৰাষাৰ বৰষুণ হ'ব পাৰে বুলি আগলী বতৰা দিছে। বতৰ বিজ্ঞান বিভাগে লগতে কেৰালা আৰু কৰ্ণাটকৰ উপকূলভাগত প্ৰবল বৃষ্টিপাতৰ আশংকা কৰি ৰেড এলাৰ্ট জাৰি কৰিছে। পৰৱৰ্তী পাঁচ দিনত কোংকন, গোৱা আৰু মহাৰাষ্ট্ৰৰ মধ্যভাগতো ধাৰাষাৰ বৰষুণ হ'ব পাৰে বুলি বিভাগটোৱে প্ৰকাশ কৰিছে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে যুৱ আধ্যাত্মিক শীৰ্ষ সন্মিলনৰ গুৰুত্বৰ বিষয়ে আলোকপাত কৰি এটা প্ৰবন্ধ শ্বেয়াৰ কৰিছে। এই প্ৰবন্ধটোত যুৱ আধ্যাত্মিক শীৰ্ষ সন্মিলনৰ নিচা মুক্ত ভাৰতৰ লক্ষ্যত উপনীত হোৱাৰ দিশত লোৱা গুৰুত্বপূৰ্ণ পদক্ষেপ বুলি অভিহিত কৰা হৈছে। কেন্দ্ৰীয় যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰী ড০ মনসুখ মন্দাভিয়াৰ এটা পোষ্টৰ প্ৰতি সঁহাৰি জনাই প্ৰধানমন্ত্ৰীয়ে কয়, যে যুৱ আধ্যাত্মিক শীৰ্ষ সন্মিলন কিদৰে নিচা মুক্ত ভাৰত গঢ়াৰ দিশে লোৱা বৃহৎ পদক্ষেপৰূপে পৰিগণিত হৈছে সেই বিষয়ে ড০ মন্দাভিয়াই বিশদভাৱে উল্লেখ কৰিছে। এম ৱাই ভাৰত উদ্যমে বিকশিত ভাৰতৰ বাবে নিচা মুক্ত যুৱ প্ৰজন্ম বিষয়বস্তুৰে উত্তৰ প্ৰদেশৰ পৱিত্ৰ কাশী ঘাটত যুৱ আধ্যাত্মিক শীৰ্ষ সন্মিলনৰ আয়োজন কৰিছে। মোদী চৰকাৰৰ নিচা মুক্ত ভাৰত অভিযানৰ অংশ হিচাপে আয়োজন কৰা এই সন্মিলন কালি আৰম্ভ হয়।

ড০ মন্দাভিয়াই তেওঁৰ পোষ্টত এই সন্মিলন অকল আধ্যাত্মিক সমাৱেশে নহয়, বৰং মাদকদ্ৰব্যৰ আসক্তিৰ বিৰুদ্ধে ৰাষ্ট্ৰজোৱা যুৱ আন্দোলনৰ আৰম্ভণি বুলি উল্লেখ কৰিছে। তেওঁ কয়, যে দেশৰ যুৱ প্ৰজন্মই মাদকদ্ৰব্যৰ বিভিষিকামুক্ত ভৱিষ্যৎ গঢ়ি তোলাৰ ক্ষেত্ৰত অগ্ৰণী ভূমিকা পালন কৰি আহিছে। এই সন্মিলনত ভালংসংখ্যক যুৱ নেতা, আধ্যাত্মিক পথ প্ৰদৰ্শক আৰু সমাজৰ প্ৰভাৱশালী লোকে অংশগ্ৰহণ কৰিছে। সন্মিলনত মানসিক স্বাস্থ্য,

আধ্যাত্মিকতা আৰু সমূহীয়া কামকাজৰ মাধ্যমেৰে নিচা জাতীয় ঔষধৰ অপব্যৱহাৰৰ বিৰুদ্ধে যুঁজ দিয়াৰ বাবে সৰ্বাত্মক দৃষ্টিভংগীৰ বিষয়ে আলোচনা কৰা হৈছে।

০০০০০

পাকিস্তান চৰকাৰৰ বিৰুদ্ধে ৰাজধানী চহৰ ইছলামাবাদত প্ৰতিবাদৰত বেলুছ য়াকজেহটি সমিতিৰ প্ৰতিবাদী কাৰ্যসূচীয়ে আজি পঞ্চম দিনত ভৰি দিছে। বেলুচিস্তানৰ পৰা বলপূৰ্বকভাৱে নিৰুদ্দিষ্ট কৰা লোক আৰু বি ৰাই চিৰ আটকাধীন নেতাৰ পৰিয়ালে এই প্ৰতিবাদ কাৰ্যসূচীৰ নেতৃত্ব দিছে। প্ৰতিবাদকাৰীসকলে অভিযোগ কৰে যে, কালি চতুৰ্থ দিনটোত পাকিস্তানী কৰ্তৃপক্ষই প্ৰতিবাদকাৰীসকলে ইছলামাবাদৰ প্ৰেছ ক্লাবৰ আহিব নোৱাৰাকৈ ৰাস্তাসমূহ বন্ধ কৰি দিছিল। তেওঁলোকে এই বুলিও অভিযোগ কৰে যে, প্ৰতিবাদকাৰীসকলক বলপূৰ্বকভাৱে বেলুচিস্তানলৈ ঘূৰাই পঠিওৱাৰ বাবে পাকিস্তানী কৰ্তৃপক্ষই প্ৰতিবাদস্থলীলৈ এখন বাছো অনাইছিল। প্ৰতিবাদকাৰী গোটটোত শিশুকে ধৰি বয়সস্থ মহিলাসকলো আছে।

সামাজিক মাধ্যমৰ এটা বাৰ্তাত বেলুছ য়াকজেহটি সমিতিয়ে কয়, যে প্ৰতিবাদী কাৰ্যসূচীত চৰকাৰৰ বাধা নিষেধ আৰু বে-আইনীভাৱে নেতাসকলক আটক কৰি ৰখা কাৰ্যই বেলুচ কণ্ঠক ৰুদ্ধ কৰিব খোজা পাকিস্তানী চৰকাৰৰ ধাৰাবাহিক আৰু পদ্ধতিগত আক্ৰমণকে প্ৰতিফলিত কৰিছে।

০০০০০

স্থানীয় কৃষি আৰু উদ্যমিক উৎসাহিত কৰাৰ বাবে নাগালেণ্ডৰ কিফিৰে জিলাৰ লংমাত্ৰাত কালি আম মহোৎসৱ উদযাপিত হয়। জিলা প্ৰশাসন আৰু কিফিৰেৰ উদ্যান শস্য বিভাগৰ উদ্যোগত অনুষ্ঠিত এই মহোৎসৱত সুস্বাদু আম উৎপাদিত লংমাত্ৰা অঞ্চলৰ ১৩ খন গাঁৱক সামৰি লোৱা হৈছে।

গৃহৰক্ষী আৰু অসামৰিক প্ৰতিৰক্ষা সেৱা, সাহায্য আৰু পুনঃসংস্থাপন বিভাগৰ পৰামৰ্শ দাতা কিছুমেও ইমচুঞ্জাৰে কেৱল মহোৎসৱৰ বাবেই নহয়, আম খেতিৰ বাবে ধাৰাবাহিক প্ৰচেষ্টা চলাই যাবলৈ খেতিয়কসকলক আহ্বান জনাইছে। তেওঁ আধুনিক যন্ত্ৰপাতি আৰু অন্যান্য ব্যৱস্থাৰে কৃষিকাৰ্যাক উদগনি আৰু সমৰ্থন আগবঢ়াই অহা চৰকাৰৰ প্ৰতিশ্ৰুতিবদ্ধতা সন্দৰ্ভতো আলোকপাত কৰে।

কিফিৰেৰ উপ-আয়ুক্ত টেমছুৱতি লংকুমেৰে খেতিয়কসকলক সামূহিক আৰু জৈৱিক কৃষি পদ্ধতিত গুৰুত্ব দিবলৈ আহ্বান জনাইছে। তেওঁ কয়, বৃহৎ লক্ষ্যৰ দিশত এই মহোৎসৱ এটা সৰু পদক্ষেপ। প্ৰথমবাৰৰ বাবে আয়োজিত এই মহোৎসৱ বাৰ্ষিক সমাৰোহত পৰিনত হ'ব বুলিও তেওঁ আশা প্ৰকাশ কৰে। জিলা উদ্যান শস্য বিষয়া ছেণ্টিনুংবা লংছাৰে কয়, যে বিভাগে শীঘ্ৰেই বাণিজ্যিক জাতৰ আম খেতি আৰম্ভ কৰিব।

০০০০০

ভাৰতে অষ্ট্ৰেলিয়াৰ ছানছাইন উপকূলত অনুষ্ঠিত ৬৬ সংখ্যক আন্তঃৰাষ্ট্ৰীয় গাণিতিক অলিম্পিয়াডত তিনিটা সোণ, দুটা ৰূপ আৰু এটা ব্ৰঞ্জৰ পদক লাভ কৰিছে। দিল্লীৰ কনৱ তলৱাৰ আৰু আৰৱ গুপ্তা আৰু মহাৰাষ্ট্ৰৰ অদিত্য মংগুড়িয়ে এই প্ৰতিযোগিতাত সোণৰ পদক লাভ কৰিছে। একেদৰে কৰ্ণাটকৰ এবেল জৰ্জ মেথিউ আৰু দিল্লীৰ আদিশ জৈনে ৰূপ আৰু দিল্লীৰ অৰ্চিত মানসে ব্ৰঞ্জৰ পদক অৰ্জন কৰিছে। ভাৰতে ১৯৯৮ চনৰ পাছত এইবাৰ এই অলিম্পিয়াডত তিনিটাকৈ স্বৰ্ণ পদক লাভ কৰিছে। ইয়াৰ পূৰ্বে ২০২৪ চনত চাৰিটা স্বৰ্ণ পদক লাভ কৰি ভাৰতে ইতিহাস ৰচনা কৰিছিল।

০০০০০

হাংগেৰীৰ বুডাপেষ্টত অনুষ্ঠিত পোল্যাক ইম্ৰে ৰৰ্গা জানোছ স্মাৰক মল্লযুদ্ধ প্ৰতিযোগিতাত ভাৰতীয় মহিলা মল্লযোদ্ধসকলৰ আধিপত্য অক্ষুণ্ণ আছে। ভাৰতৰ মহিলা মল্লযোদ্ধাসকলে কালি প্ৰতিযোগিতাত এটা ৰূপ আৰু এটা ব্ৰঞ্জৰ পদক লাভ কৰে। প্ৰিয়া মালিকে ৭৬ কিলোগ্ৰাম ওজন শাখাত দেশৰ হকে ৰূপৰ পদক হস্তগত কৰে। একেদৰে এছিয়ান চেম্পিয়ন মনিষাই ব্ৰঞ্জৰ পদকৰ যুঁজত ক্ৰিষ্টছিনা ছাজিকিনাক পৰাস্ত কৰি পদক দখল কৰে। ভাৰতে বৰ্তমানলৈকে এই প্ৰতিযোগিতাত তিনিটা সোণ, দুটা ৰূপ আৰু তিনিটা ব্ৰঞ্জসহ মুঠ ৮ টা পদক লাভ কৰিছে।

ooooo

২০২৫-২৬ বৰ্ষৰ ডo বি চি ৰয় ট্ৰফীৰ বাবে ল'ৰাৰ জুনিয়ৰ ৰাষ্ট্ৰীয় ফুটবল প্ৰতিযোগিতা কাইলৈ পাঞ্জাবৰ অমৃতসৰত আৰম্ভ হ'ব। এছ এফ এছ ফুটবল ষ্টেডিয়ামত তেলেংগানা আৰু গোৱাৰ মাজত হ'বলগীয়া খেলেৰে প্ৰতিযোগিতা মুকলি কৰা হ'ব। খেলখন পুৱা চাৰে ৮ বজাত আৰম্ভ হ'ব। মুঠ ১৬ খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ খেলুৱৈয়ে এই প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিব। ১০ দিনীয়া প্ৰতিযোগিতাখনত প্ৰতিটো গ্ৰুপত চাৰিটাকৈ দল থাকিব। প্ৰতিটো গ্ৰুপৰ বিজয়ী দলে অহা ২৮ জুলাইত ছেমিফাইনেলত অৱতীৰ্ণ হ'ব। প্ৰতিযোগিতাৰ চূড়ান্ত খেলখন অহা ৩০ জুলাইত এছ এফ এছ ষ্টেডিয়ামত অনুষ্ঠিত হ'ব।

ooooo

সমাপ্ত